জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৯২/২০২৩**

# অসম চৰকাৰ আৰু এক্স চাৰ্ভিছমেন কনট্ৰিবিউটাৰী হেলথ্ চাৰ্ভিছৰ গুৱাহাটী আঞ্চলিক কেন্দ্ৰৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ

## ভাৰতীয় প্ৰতিৰক্ষা বাহিনীয়ে প্ৰদৰ্শন কৰা সাহসিকতাই ভাৰতৰ শক্তিৰ বিষয়ে বিশ্ববাসীলৈ এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ জানুৱাৰী ঃ** দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ বাবে অপৰিসীম বৰঙণি যোগোৱাৰ লগতে মাতৃভূমিৰ বাবে চৰম ত্যাগ কৰা সৈনিকসকলৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ উদ্দেশ্যে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অসম চৰকাৰৰ চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগ আৰু এক্স চাৰ্ভিছমেন কনট্ৰিবিউটাৰী হেলথ্ চাৰ্ভিছৰ গুৱাহাটী আঞ্চলিক কেন্দ্ৰৰ মাজত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে প্ৰাক্তন সেনবাহিনীৰ লোকসকলে নগদ বিহীন আৰু সীমা বিহীন উন্নত মানৰ চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হ'ব।

উল্লেখ্য যে এই বুজাবুজিৰ চুক্তিৰ ফলত ৮ খন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল যেনে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল, অসম মেডিকেল কলেজ আৰু হাস্পতাল, শিলচৰ মেডিকেল কলেজ আৰু হাস্পতাল, যোৰহাট মেডিকেল কলেজ আৰু হাস্পতাল, ডিফু মেডিকেল কলেজ আৰু হাস্পতাল, তেজপুৰ মেডিকেল কলেজ আৰু হাস্পতাল, লখিমপুৰ মেডিকেল কলেজ আৰু হাস্পতাল আৰু বৰপেটাৰ ফখৰুদ্দিন মেডিকেল কলেজ আৰু হাস্পতালত উন্নতমানৰ চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হ'ব।

তদুপৰি এক্স চাৰ্ভিছমেন কনট্ৰিবিউটাৰী হেলথ্ চাৰ্ভিছৰ গুৱাহাটী আঞ্চলিক কেন্দ্ৰ আৰু অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ মাজতো এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ জৰিয়তে অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ অধীনস্থ সকলো কেন্সাৰ কেয়াৰ হাস্পতালত প্ৰতিৰক্ষা বাহিনীৰ হিতাধিকাৰীসকলে উৎকৃষ্ট মানৰ চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হ'ব।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ই এক ঐতিহাসিক পদক্ষেপ। আজিৰ এই বুজাবুজিৰ চুক্তিৰ ফলত প্ৰাক্তন সৈনিক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গই ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয় আৰু কেন্সাৰ কেয়াৰ হাস্পতালত চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে প্ৰতিৰক্ষা বাহিনী আৰু ৰাজ্যৰ স্বাস্থ্য বিভাগক এই বুজাবুজিৰ চুক্তি স্বাক্ষৰৰ বাবে ধন্যবাদ

জ্ঞাপন কৰে।

মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে জাতিটোৰ প্ৰতি আমাৰ প্ৰতিৰক্ষা বাহিনীৰ সদস্যসকলৰ অটল দায়বদ্ধতাই দেশপ্ৰেমৰ অনন্য অধ্যায়ৰ সূচনা কৰিছে। ’৭১ ৰ ভাৰত-পাকিস্তানৰ যুদ্ধ, কাৰ্গিল যুদ্ধৰ স্মৃতিবোৰ এতিয়াও আমাৰ মনত সজীৱ হৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে ’৭১ চনৰ ভাৰত-পাক যুদ্ধত অসমৰ ৯ জন বীৰ সৈনিকে দেশৰ হকে চৰম ত্যাগ কৰিছিল। বহুতো সৈন্য আঘাতপ্ৰাপ্ত হৈছিল আৰু বহুতে যুদ্ধক্ষেত্ৰত অসাধাৰণ বীৰত্বৰ পৰিচয় দিবলৈ সক্ষম হৈছিল বুলিও  তেওঁ কয়।

মুখ্যমন্ত্রীয়ে কয় যে আমাৰ দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি সৃষ্টি হোৱা যিকোনো কুঅভিপ্ৰায়ৰ বিৰুদ্ধে ভাৰতীয় প্ৰতিৰক্ষা আৰু অৰ্দ্ধসামৰিক বাহিনীত কৰ্মৰত আমাৰ ৰাজ্যৰ যুৱক-যুৱতীসকলে সদায়ে সাহসীকতাৰে প্ৰতিৰোধৰ সৃষ্টি কৰি আহিছে। শেহতীয়াকৈ প্ৰতিৰক্ষা বাহিনীত কৰ্মৰত আমাৰ ৰাজ্যৰ  বহু সেনা বিষয়া- জোৱানে দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে প্ৰাণাহুতি দিছে। তেওঁলোক আমাৰ গৌৰৱ বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে তেওঁলোকে আমাৰ দেশৰ মহান গণতান্ত্ৰিক পৰিকাঠামো শক্তিশালী কৰাৰ লগতে নতুন প্ৰজন্মক দেশৰ হকে ত্যাগ কৰিবলৈ অপৰিসীমভাৱে অনুপ্ৰাণিত কৰে।

সাহসী যোদ্ধা আৰু তেওঁলোকৰ পৰিয়ালৰ প্ৰতি ৰাজ্য চৰকাৰৰ থকা দায়বদ্ধতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে দেশৰ অখণ্ডতা সুৰক্ষাৰ বাবে প্ৰাণাহুতি দিয়া প্ৰতিগৰাকী শ্বহীদৰ পৰিয়ালবৰ্গক এককালীন সাহায্য হিচাপে ৫০ লাখ টকাকৈ প্ৰদান কৰা হৈছে। ৰাজ্য চৰকাৰৰ গ্ৰুপ চি আৰু ডি পদত প্ৰাক্তন সৈনিকৰ বৰে সংৰক্ষণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্রীয়ে লগতে কয় যে ২০২২ চনত প্ৰাক্তন সৈনিক আৰু প্ৰতিৰক্ষা বিভাগত কৰ্মৰত চাকৰিয়ালসকলৰ সন্তানৰ বাবে ৰাজ্য চৰকাৰে চিকিৎসা মহাবিদ্যালয়সমূহত আসনৰ সংখ্যা ৩ খনৰ পৰা ৯ খনলৈ বৃদ্ধি কৰিছে।

মুখ্যমন্ত্রী শৰ্মাই লগতে কয় যে গান্ধী মণ্ডপত যোৱা ৭ ডিচেম্বৰত অনুষ্ঠিত কেবিনেট বৈঠকত ৰাজ্য চৰকাৰৰ চাকৰিৰ এ আৰু বি কেটেগৰীত দুই শতাংশ সংৰক্ষণৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়ে প্ৰতিৰক্ষা বাহিনীত কৰ্মৰত লোক আৰু তেওঁলোকৰ পৰিয়ালক যথেষ্ট পৰিমাণে উপকৃত কৰিব।

আজিৰ এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী কেশৱ মহন্ত, ইষ্টাৰ্ণ কামাণ্ডাৰ জিঅ’ চি লেফটেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাইও ভাষণ প্ৰদান কৰে।

**সুঃদঃ / পুঃডেঃ**
**৫/১/২০২৩**